যোৰহাটত ৰাজ্যৰ অষ্টমটো কভিড-১৯ পৰীক্ষা কেন্দ্ৰ উদ্বোধন

# প্ৰথমবাৰৰ বাবে বৈজ্ঞানিক গৱেষণাগাৰত পৰীক্ষাৰ সুবিধা ঃ ড° হিমন্ত বিশ্ব শৰ্মা



## জুনৰ ভিতৰত ১২টালৈ বৃদ্ধি পাব ■ গোলাঘাটতো পৰিস্থিতি পৰ্যবেক্ষণ ঃ ১০ জুনলৈকে স্বাভাৱিক পৰিৱেশ ঘূৰি নাহে ■ কেন্দ্ৰৰ নিৰ্দেশ পালে দশম-দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব

যোৰহাট ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৩০ মে' ঃ যি সময়ত বিশ্বৰ লগতে আমাৰ দেশ তথা অসমতো কভিড-১৯ৰ প্ৰাদুৰ্ভাৱ দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে, তেনে সময়তে আজি অসমৰ স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৰহাটত অৱস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, চমুকৈ 'নেইষ্ট'ত ৰাজ্যখনৰ অষ্টমটো কভিড-১৯ৰ পৰীক্ষাগাৰ শুভ উদ্বোধন কৰে। পৰীক্ষাগাৰটো শুভ উদ্বোধন কৰি স্বাস্থ্য মন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ ৬খন চিকিৎসা মহাবিদ্যালয়ৰ লগতে ডিব্ৰুগড়ৰ লাহোৱালত থকা আই চি এম আৰৰ

২ পিঠিলৈ

